# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-08-2024 **Time :** 0900 Hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। ৰাজ্যত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ২৩ লৈ বৃদ্ধি পাব বুলি বিধানসভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। ৰাজ্যত থলুৱা বাসিন্দাৰ বাবে ৯০ শতাংশ চাকৰি সংৰক্ষণ হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। ৰাজ্যসভাৰ উপ-নিৰ্বাচনত অসমৰ দুগৰাকী প্ৰাৰ্থীকে ধৰি বিজেপিৰ ৯গৰাকী প্ৰাৰ্থীৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়।

৪। বুছান আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱলৈ অসমৰ ৰীমা দাসৰ ভিলেজ ৰকষ্টাৰ্ছ-টু নিৰ্বাচিত।

*আৰু*

৫। পেৰিছত আজি পেৰালিম্পিক আনুষ্ঠানিকভাৱে আৰম্ভ।

০০০০০০০

ৰাজ্যত খিলঞ্জীয়া লোকসকল সুৰক্ষিত হ'লেই অসম সুৰক্ষিত হ'ব বুলি কালি বিধানসভাৰ মজিয়াত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। ৰাজ্যৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত বিৰোধী বিধায়কৰ সমালোচনাৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হত্যা, ধৰ্ষণ আদিক সামাজিক অপৰাধ বুলি অভিহিত কৰিছে। অসম বিধান সভাৰ শৰৎকালীন অধিৱেশনৰ কালি দ্বিতীয় দিনা নাৰী নিৰ্যাতন, আলফাৰ দ্বাৰা বোমা স্থাপন আৰু ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি ব্যৰ্থ হোৱা বুলি অভিযোগ তুলি বিৰোধী পক্ষৰ কেইবাগৰাকীও বিধায়কে উত্থাপন কৰা সভা স্থগিত প্ৰস্তাৱত হস্তক্ষেপ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ৰাজ্যৰ জনগাঁথনি পৰিৱৰ্তনৰ তথ্য দিব বুলিও ঘোষণা কৰে। কংগ্ৰেছ, এ আই ইউ ডি এফ, চি পি এম আৰু বিধায়ক অখিল গগৈয়ে সুকীয়া সুকীয়াকৈ সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰাৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্যৰ এখন জিলাৰ পৰা আন জিলালৈ যাব পৰাটো সাংবিধানিক অধিকাৰ হ'লেও সামাজিক কিছু প্ৰক্ৰিয়াও থাকে। নামনিৰ মানুহ উজনিলৈ যাবই বুলি কোৱাটো এটা আগ্ৰাসী মনোভাৱ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

অসম বিধানসভাত কালি দি আসাম কমপালছ'ৰি ৰেজিষ্ট্ৰেছন অফ মুছলিম মেৰেজেছ এণ্ড ডিভ'ৰছেছ বিল ২০২৪ গৃহীত হয়। এই বিধেয়কখনে ইছলামধৰ্মী লোকসকলৰ বিবাহৰ পঞ্জীয়ন বাধ্যতামূলক কৰাৰ লগতে বিবাহ বিচ্ছেদৰ ব্যৱস্থাৱলীৰ ক্ষেত্ৰত নতুনত্বৰ সংযোজন ঘটাব। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহনে সদনৰ সন্মতি সাপেক্ষে কালি বিধেয়কখন উত্থাপন কৰে। বিধেয়কখনৰ বিৰোধিতা কৰি কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দলে সদন ত্যাগ কৰে। তাৰ মাজতে এই বিধেয়কখন গৃহীত হয়। মন্ত্ৰী মহনে উত্থাপন কৰা ভূমি আৰু ৰাজহ নীতি সংশোধনী বিধেয়ক আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উত্থাপন কৰা বিভিন্ন সেৱা তথা পদত নিযুক্তিৰ ক্ষেত্ৰত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষণ সম্পৰ্কীয় সংশোধনী বিধেয়কখন কালি সদনত গৃহীত হয়। ইপিনে, ৰাজ্যত নিযুক্তিৰ ক্ষেত্ৰত থলুৱাৰ বাবে ৯০ শতাংশ আসন সংৰক্ষণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে। ইয়াৰ বাবে এবছৰৰ ভিতৰত আবাসিক নীতি গ্ৰহণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। ৰাজ্যত নিবনুৱাৰ পৰিসংখ্যাৰ ভুল তথ্য ওলোৱা বুলিও বিধানসভাৰ মজিয়াত মুখ্যমন্ত্ৰীয়ে সদৰি কৰে। ৰাজ্য চৰকাৰৰ চলিত কাৰ্যকালত ২ লাখ নিযুক্তি সম্পূৰ্ণ হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে বিধানসভাত জানিবলৈ দিয়ে। ৰাজ্যত অহা ৩ বছৰৰ ভিতৰত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ২৩ লৈ বৃদ্ধি পাব বুলি কালি বিধানসভাৰ মজিয়াত মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। অহা বছৰত গুৱাহাটীত দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলিও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে।

২০২৬ চনত বঙাইগাঁও, বিশ্বনাথ চাৰিআলি আৰু চৰাইদেউত নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন হোৱাৰ কথাও মুখ্যমন্ত্রীগৰাকীয়ে প্রকাশ কৰে। পৰৱর্তী সময়ত মাজুলী, হাউলী, গোৱালপাৰা, হোজাই আৰু হাফলঙত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ চিন্তা-চর্চা কৰা বুলি মুখ্যমন্ত্রীয়ে জানিবলৈ দিয়ে। ইপিনে, কংগ্রেছ বিধায়িকা শিৱামণি বৰাৰ এটা প্রশ্নৰ উত্তৰত মন্ত্রী ৰঞ্জিত কুমাৰ দাসে বিগত এবছৰত ৰাজ্য চৰকাৰে হেলিকপ্তাৰ-চার্টার্ড বিমানৰ ভাৰাৰ নামত ৩১ দশমিক ৭২ কোটি টকা ব্যয় কৰা বুলি উল্লেখ কৰে। ইয়াৰ ভিতৰত যোৱা বিত্তীয় বছৰটোত হেলিকপ্তাৰ ভাৰাৰ নামত ২৬ কোটি ৬৫ লাখ ৪৯ হাজাৰ ৪৭৯ টকা ব্যয় কৰা বুলি মন্ত্রীগৰাকীয়ে উল্লেখ কৰে। একেদৰে চার্টার্ড বিমানত ভাৰাৰ নামত বিগত বর্ষটোত ৰাজ্য চৰকাৰে ৫ কোটি ৭ লাখ ৪২ হাজাৰ ৯৭৩ টকা ব্যয় কৰা বুলি জানিবলৈ দিয়ে।

বিধানসভাৰ মজিয়াৰ পৰা কালি আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱালৈ মুখ্যমন্ত্রীয়ে হিংসা বর্জন কৰিবলৈ আহ্বান জনায়। ৰাজ্যৰ ১৯ লাখ নিবনুৱাৰ স্বাৰ্থত কূটাঘাতৰ পৰা বিৰত থাকিবলৈ আলফাৰ সেনাধ্যক্ষগৰাকীক মুখ্যমন্ত্রীয়ে আহ্বান জনায়। ৰাজ্যত কূটাঘাত সংঘটিত হ'লে জাগীৰোডত স্থাপন হ'বলগীয়া টাটা উদ্যোগ বন্ধ হৈ যাব বুলি মুখ্যমন্ত্রীগৰাকীয়ে উল্লেখ কৰে।

ইপিনে, খাদ্য, ৰাজহুৱা বিতৰণ আৰু বিতৰণ পৰিক্ৰমা মন্ত্রী ৰণজিত কুমাৰ দাসে ৰাজ্যখনত ৰাষ্ট্রীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত ২ কোটি ৩১ লাখ ৯৭ হাজাৰৰো অধিক হিতাধিকাৰীক সামৰি ৬৬ লাখ ৮৬ হাজাৰৰো অধিক ৰেচন কার্ড প্রদান কৰা হৈছে বুলি প্রকাশ কৰে। বিধানসভাৰ প্রশ্নোত্তৰকালত সোধা এটা প্রশ্নৰ উত্তৰত মন্ত্রীগৰাকীয়ে এই কথা প্রকাশ কৰে। তেওঁ লগতে যদিহে কোনো যোগ্য লোক বা পৰিয়াল ৰেচন কার্ড লাভৰ পৰা বঞ্চিত হৈ আছে, তেন্তে এই ব্যক্তিসকলক বাছনি কৰি পর্যায়ক্রমে ৰেচন কার্ড প্রদান বা কার্ডত নাম অন্তর্ভুক্ত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্রহণ কৰা হ'ব বুলি উল্লেখ কৰে।

oooooooo

ৰাজ্যসভাৰ উপ-নির্বাচনত বিজেপিৰ ৯গৰাকী এন ডি এ মিত্রজোঁটৰ দুগৰাকী আৰু কংগ্রেছৰ এগৰাকী প্রার্থী বিনা প্রতিদ্বন্দ্বিতাৰে নির্বাচিত হৈছে। বিনা প্রতিদ্বন্দ্বিতাৰে নির্বাচিত হোৱা বিজেপিৰ প্রার্থীসকলৰ ভিতৰত অসমৰ মিছন ৰঞ্জন দাস আৰু ৰামেশ্বৰ তেলী, বিহাৰৰ পৰা মনন কুমাৰ মিশ্র, হাৰিয়ানাৰ পৰা কিৰণ চৌধৰী, মধ্যপ্রদেশৰ পৰা জর্জ কুৰিয়ন, মহাৰাষ্ট্ৰৰ পৰা ধৈর্যশীল পাটিল, ওড়িশাৰ পৰা মমতা মহান্তা, ৰাজস্থানৰ পৰা ৰৱনিট সিং বিট্টু আৰু ত্রিপুৰাৰ ৰাজীৱ ভট্টাচার্য আছে।

কংগ্রেছৰ অভিষেক মনু সিংভি তেলেংগানাৰ পৰা বিনা প্রতিদ্বন্দ্বিতাৰে নির্বাচিত হৈছে। এন চি পিৰ অজিত পাৱাৰ গোটৰ নিতিন পাটিল মহাৰাষ্ট্ৰৰ পৰা আৰু আৰ এল এমৰ উপেন্দ্র কুশৱাহা বিহাৰৰ পৰা ৰাজ্যসভালৈ নির্বাচিত হৈছে।

oooooooo

অহা ৩ আৰু ৪ ছেপ্তেম্বৰত গুৱাহাটীত দুদিনীয়া কার্যসূচীৰে কেন্দ্রীয়ভাৱে ৪১ সংখ্যক অভিৰুচি ক্রীড়া দিৱস উদযাপন কৰা হ'ব। অর্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিনৰ লগত সংগতি ৰাখি অহা ৩ ছেপ্তেম্বৰৰ দিনটোত ৰাজ্যজুৰি অভিৰুচি ক্রীড়া দিৱস উদযাপন কৰা হয়। এইবাৰৰ অভিৰুচি ক্রীড়া দিৱসৰ গুৱাহাটীত হ'বলগীয়া কেন্দ্রীয় কার্যসূচীত অলিম্পিক পদকজয়ী লাভলীনা বৰগোহাঁই আৰু অলিম্পিয়ান হকী খেলুৱৈ অনুৰাধা দেৱী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ইয়াৰে ৩ ছেপ্তেম্বৰত লাভলীনা বৰগোহাঁই আৰু ৪ ছেপ্তেম্বৰত অনুৰাধা দেৱীয়ে কেন্দ্রীয় কার্যসূচীত অংশগ্রহণ কৰিব। অভিৰুচি ক্রীড়া দিৱস উপলক্ষে সমূহীয়া দৌৰৰ লগতে ক্রীড়া কুইজ, নৃত্য প্রতিযোগিতা অনুষ্ঠিত হ'ব।

ooooooo

অহা ৩১ আগষ্টত মৰিগাঁও জিলাত ৰাজ্যিক ভিত্তিত ৰাষ্ট্রীয় ক্রীড়া দিৱস উদযাপন কৰা হ'ব। ৰাজ্য চৰকাৰৰ ক্রীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত আৰু মৰিগাঁও জিলা প্রশাসনৰ সহযোগত এই দিৱসৰ

আয়োজন কৰা হৈছে। ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি সেইদিনা জিলাখনৰ চাৰণ বিলত পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা আৰু ঔজাৰি নজোৱান সংঘৰ খেলপথাৰত কেইবাবিধো পৰম্পৰাগত খেলধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। মৰিগাঁও জিলা প্ৰশাসনে এই খেলসমূহত ভাগ ল'বৰ বাবে ৰাইজৰ প্ৰতি আহ্বান জনাইছে।

0000000

গৃহ বিভাগৰ যুটীয়া সচিব বি চি যোশীৰ নেতৃত্বত এটা কেন্দ্ৰীয় আন্তঃমন্ত্ৰালয়ৰ দলে আজি ত্ৰিপুৰাৰ বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে ৰাজ্যখন পৰিদৰ্শন কৰিব। এই দলটোত কৃষি, বিত্ত, জলশক্তি, গ্ৰামোন্নয়ন আৰু পথ পৰিবহন তথা ঘাইপথ মন্ত্ৰালয়ৰ মন্ত্ৰীসকল আছে। ত্ৰিপুৰাৰ ৰাজহ সচিব ব্ৰিজেছ পাণ্ডেই জনোৱা মতে ৰাজ্যখনত বানত আক্ৰান্ত ৭২ হাজাৰতকৈও অধিক লোক এতিয়ালৈকে ৪৯২টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। আনহাতে, ৫০ হাজাৰতকৈও অধিক লোক গোমাতি জিলাৰ অস্থায়ী আশ্ৰয় শিবিৰত আশ্ৰয় গ্ৰহণ কৰিছে। শ্ৰীপাণ্ডেই জনোৱা মতে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ মুঠ ১১টা দলৰ লগতে অসামৰিক প্ৰতিৰক্ষা আৰু আপদ মিত্ৰৰ ৫০০জন স্বেচ্ছাসেৱক উদ্ধাৰ অভিযানত নিয়োজিত হৈ আছে।

0000000

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা, চি বি আইৰ কথিত আবকাৰী নীতি কেলেংকাৰীৰ গোচৰ সন্দৰ্ভত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ ন্যায়িক জিম্মাৰ ম্যাদ অহা মাহৰ ৩ তাৰিখলৈ বৃদ্ধি কৰা হৈছে। শ্ৰীকেজৰিৱালক ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে টিহাৰ কাৰাগাৰৰ পৰা ৰাওজ এভিনিউ আদালতৰ বিশেষ ন্যায়াধীশ কাবেৰী বাৱেজাৰ সন্মুখত হাজিৰ কৰোৱা হৈছিল।

0000000

ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসৰ ভিলেজ ৰকষ্টাৰ্ছ-টু বুছান আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱলৈ নিৰ্বাচিত হৈছে। মহোৎসৱৰ জিছেক প্ৰতিযোগিতা শাখাত বিশ্বৰ ৮ খন ছবিৰ মাজত নিৰ্বাচিত হোৱা ভিলেজ ৰকষ্টাৰ্ছ-টু হৈছে একমাত্ৰ ভাৰতীয় ছবি। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ৰীমা দাসৰ ভিলেজ ৰকষ্টাৰ্ছে শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছিল। ২০১৯ চনত ভাৰতৰ হৈ ভিলেজ ৰকষ্টাৰ্ছে অস্কাৰলৈ মনোনীত হৈছিল।

00000000

অৰুণাচল প্ৰদেশৰ আপাৰ সোঁৱনশিৰি জিলাত কালি এখন ট্ৰাক দ' খাৱৈত বাগৰি পৰাৰ ফলত সেনাবাহিনীৰ তিনিজন জোৱান নিহত হোৱাৰ লগতে চাৰিজন গুৰুতৰভাৱে আহত হয়। জোৱানকেইজনৰ ঘটনাস্থলীতে মৃত্যু হোৱা বুলি ইটানগৰৰ আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। সেনাবাহিনীৰ ইষ্টাৰ্ণ কমাণ্ডে জোৱানকেইজনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিটছে। নিহত জোৱানকেইজন হাৱালদাৰ নখট সিং, নায়ক মুকেশ কুমাৰ আৰু গ্ৰেনেইডিয়াৰ আশীষ বুলি চিনাক্ত কৰা হৈছে।

00000000

কেন্দ্ৰীয় কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেন্সন দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত একাদশ সৰ্বভাৰতীয় পেন্সন আদালত আৰু ৫৫ সংখ্যক প্ৰাক-অসৰৰকালীন পৰামৰ্শদান কৰ্মশালাত অধ্যক্ষতা কৰিব। সু-প্ৰশাসনৰ অংশ হিচাপে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে। ইপিনে, ড০ সিঙে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত চলিত বছৰৰ অনুভৱ বঁটাসমূহো প্ৰদান কৰিব। এইবাৰ ২২টা মন্ত্ৰালয় আৰু বিভাগে প্ৰকাশ কৰা লেখাৰ মাজৰ পৰা পাঁচটা লেখা, অনুভৱ বঁটাৰ বাবে নিৰ্বাচিত হোৱাৰ লগতে ১০টাই বিচাৰকৰ প্ৰমাণপত্ৰ লাভ কৰিছে। উল্লেখযোগ্য যে ২০১৫ চনত পেন্সন আৰু পেন্সনাৰ কল্যাণ বিভাগে অনুভৱ

শীৰ্ষক মঞ্চ মুকলি কৰিছিল। অৱসৰপ্ৰাপ্ত আৰু অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰীসকলে তেওঁলোকৰ চাকৰিৰ কালছোৱাত প্ৰদৰ্শন কৰাৰ উল্লেখনীয় সাফল্য চিহ্নিত কৰাৰ বাবে এই মঞ্চ মুকলি কৰা হৈছে। এতিয়ালৈ ৫৪টা অনুভৱ বঁটা প্ৰদান কৰা হৈছে।

ooooo

পেৰিছত আজি ২০২৪ চনৰ পেৰালিম্পিক আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব। ৮ ছেপ্তেম্বৰত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব। ফ্ৰান্সে এইবাৰ প্ৰথমবাৰৰ বাবে গ্ৰীষ্মকালীন পেৰালিম্পিকৰ আয়োজন কৰিছে। ইয়াৰ পূৰ্বে ১৯৯২ চনত দেশখনৰ শীতকালীন পেৰালিম্পিক অনুষ্ঠিত হৈছিল। এইবাৰৰ পেৰালিম্পিকত ভাৰতৰ ৮৪জনীয়া খেলুৱৈ দলে ভাগ ল'ব। এয়া হ'ব পেৰালিম্পিকত অংশ লোৱা ভাৰতৰ সৰ্ববৃহৎ দল। ভাৰতে ২২টা শিতানৰ ভিতৰত ১২টাত ভাগ ল'ব। এইবাৰ পেৰা চাইক্লিং, পেৰা জুদো আৰু পেৰা ৰোয়িঙত ভাৰতে প্ৰথমবাৰলৈ ভাগ ল'ব।

ooooo

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত অহা ৩১ আগষ্টত নৰ্থ ইষ্ট ইউনাইটেড এফ চি, মোহন বাগান ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কালি কলকাতাৰ ছল্টলেক ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত মোহন বাগান ছুপাৰ জায়েণ্টে বাংগালুৰু এফ চি পেনাল্টি শ্বুটআউটৰ সহায়ত ৪-৩ গ'লত পৰাস্ত কৰি অভিলেখ সংখ্যক ৩০ বাৰৰ বাবে প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰে। নিৰ্ধাৰিত সময়ত খেলখন ২-২ গ'লত ড্ৰ হোৱাৰ পৰিপ্ৰেক্ষিতত পেনাল্টি শ্বুট আউটৰ সহায় ল'বলগীয়া হয়।

ooooo

চিৰাং জিলাৰ বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত চলি থকা ডাঃ বীৰেন্দ্ৰ বসুমতাৰী আৰু ৰঞ্জিত কুমাৰ দাস সোঁৱৰণী ছুপাৰ ডিভিজন আৰু বাবুৰাম বসুমতাৰী তথা বানাৰাম বসুমতাৰী সোঁৱৰণী এ ডিভিজন ফুটবল লীগৰ চূড়ান্ত খেল দুখন কালি অনুষ্ঠিত হয়। ছুপাৰ ডিভিজন প্ৰতিযোগিতাখনত হাথৰ্কী এফ চিয়ে ফেৰেংগা ক্লাবক পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰে। ইপিনে এ ডিভিজন প্ৰতিযোগিতাত চান্তালী ব্ৰাডাৰ্ছ এফ চিয়ে ষ্টাৰ ক্লাব হাঁহচৰাক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি চূড়ান্ত বিজয়ী হয়। বিজয়ী আৰু বিজিত চাৰিটা দলক নগদ ধনসহ ট্ৰফী প্ৰদান কৰা হয়। যোৱা ১৫ আগষ্টৰ পৰা ১৩ দিনিয়াকৈ অনুষ্ঠিত এই প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত কালি বি টি আৰৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰী, অসম ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক চাংগ্ৰাং ব্ৰহ্ম, বিজনী জিলাৰ ক্ৰীড়া সন্থাৰ সভাপতিৰ লগতে কেইবাগৰাকীও আমন্ত্ৰিত অতিথি উপস্থিত থাকে।

ooooo

অসম আন্দোলনৰ অগ্ৰণী নেত্ৰী, জাগ্ৰত মহিলা পৰিষদৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদিকা আভা বৰাৰ কালি বিয়লি গুৱাহাটীৰ বামুণীমৈদামৰ নিজা বাসগৃহত দেহাৱসান ঘটে। অসম আন্দোলনত মহিলা শক্তিক একত্ৰিত কৰি তেওঁ অগ্ৰণী ভূমিকা পালন কৰিছিল। আভা বৰাৰ মৃত্যুত সদৌ অসম ছাত্ৰ সন্থাই গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁৰ বিয়োগত জাতিটোৱে এগৰাকী অসমপ্ৰেমী মহিলাক হেৰুওৱা বুলি ছাত্ৰ সংগঠনটোৱে উল্লেখ কৰিছে।

oooooooo

তেজপুৰৰ এক্স-পুলিচ লাইন নিবাসী অৱসৰপ্ৰাপ্ত বন বিষয়া, বিশিষ্ট সমাজকৰ্মী, ক্ৰীড়াবিদ আলটমাছ বেইগৰ কালি গুৱাহাটীত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬১ বছৰ। প্ৰয়াত বেইগে গুৱাহাটীৰ আছাম ফৰেষ্ট স্কুলৰ সঞ্চালক হিচাপেও ২০২২ চনৰ ছেপ্তেম্বৰ মাহলৈকে কাৰ্যনিৰ্বাহ কৰিছিল।

००००००००

অস্বাভাৱিক বিদ্যুৎ মাচুল বৃদ্ধিৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিবাদ অব্যাহত আছে। এই বাতৰিটো **দৈনিক অসম** কাকতে ‘স্মাৰ্ট মিটাৰ, মাচুল বৃদ্ধিৰ বিৰুদ্ধে ৰাজ্যজুৰি ছাত্ৰ সন্থাৰ প্ৰতিবাদী কাৰ্যসূচী’ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **আমাৰ অসম** কাকতে ‘স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে বিক্ষোভ, ৰাজ্য তোলপাৰ’ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্যত থলুৱা বাসিন্দাৰ বাবে ৯০ শতাংশ চাকৰি সংৰক্ষণ হ’ব বুলি বিধানসভাৰ মজিয়াত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। এই বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে ‘স্থায়ী বাসিন্দাৰ বাবে সংৰক্ষণ হ’ব ৯০ শতাংশ চাকৰি’ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বুছান আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱলৈ অসমৰ ৰীমা দাসৰ ভিলেজ ৰকষ্টাৰ্ছ-টু নিৰ্বাচিত হৈছে। এই বাতৰিটো **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ড° লক্ষহীৰা দাসলৈ ভূপেন হাজৰিকা সমন্বয় বঁটা আৰু ৰতিমোহন নাথলৈ ভূপেন হাজৰিকা হিতৈষী বঁটা আগবঢ়োৱাৰ কথা ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে প্ৰকাশ কৰিছে। এই বাতৰিটো **অসমীয়া খবৰ** কাকতে ‘ড° লক্ষহীৰা দাস, ৰতিমোহন নাথলৈ ভূপেন হাজৰিকা বঁটা’ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

হেলিকপ্তাৰ চাৰ্টাৰ্ড বিমানৰ ভাৰাৰ নামত এবছৰত ৰাজ্য চৰকাৰে ৩১ দশমিক ৭২ কোটি টকা ব্যয় কৰা বুলি কালি বিধানসভাত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে প্ৰকাশ কৰে। এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে ‘হেলিকপ্তাৰ চাৰ্টাৰ্ড বিমানৰ ভাৰাৰ নামত এবছৰত চৰকাৰৰ ব্যয় ৩১ দশমিক ৭ - ২ কোটি টকা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শান্তি শৃংখলা ৰক্ষা তথা নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰাৰ লক্ষ্যৰে ৰাজ্যৰ বিভিন্ন ঠাইত সজাগতা সভাৰ লগতে আৰক্ষীৰ পদ সঞ্চালন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই বাতৰিটো **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

००००००००

সমাপ্ত